# 2018

## ASSAMESE

## ( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ লিখা

### ক—শাখা

### ( শঙ্কৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'কীৰ্ত্তন-ঘোষা'ত মুঠ কিমানটা স্বয়ংসম্পূৰ্ণ খণ্ড আছে?

(খ) 'প্ৰহ্লাদ চৰিত'ত মুঠ কিমানটা কীৰ্ত্তন আছে?

(গ) 'কীৰ্ত্তন-ঘোষা' পুথিখন প্ৰথমতে কোনে সংকলন কৰিছিল?

(ঘ) “তোমাৰ অকাম ভৃত্য আমি।
তুমি নিষ্কাম মোৰ স্বামী॥”

কোনে এনেদৰে কৈছিল?

(ঙ) বেজবৰুৱাই শঙ্কৰদেৱৰ কোনখন গ্ৰন্থক—“এইখনৰ নিচিনা সুললিত সুশ্ৰাব্য আৰু পঢ়ি বা শুনি যাওঁতে মনমুহি যোৱা পুথি আৰু আসামত দ্বিতীয়খন নাই” বুলি অভিহিত কৰিছে?

(চ) ৰজা ভীষ্মকৰ পত্নীৰ নাম কি?

(ছ) কোনজন পণ্ডিতে বৰগীতক ‘Songs Celestial’ বুলি কৈছিল?

(জ) শঙ্কৰদেৱৰ প্ৰথম নাটক কোনখন?

(ঝ) কোনজন পণ্ডিতে বৈষ্ণৱ কবিৰ নাৰদক অসমীয়া ‘বৰাগী ককাই’ৰ আদৰ্শত ৰচনা কৰা বুলি অনুমান কৰে?

(ঞ) শঙ্কৰদেৱৰ নামত কিমানটা বৰগীতৰ প্ৰচলন আছে?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) ৰাসক্ৰীড়াৰ বক্তা আৰু শ্ৰোতা কোন?

(খ) প্ৰহ্লাদক বামনয় শাস্ত্ৰ শিক্ষা দিয়া গুৰু দুজনাৰ নাম কি?

(গ) শঙ্কৰদেৱৰ নাট্যধৰ্মিতাত শ্ৰেষ্ঠ নাটক কোনখন? ‘পাৰিজাত হৰণ’ নাটৰ কাহিনীভাগ কোন মূল গ্ৰন্থৰ পৰা গ্ৰহণ কৰা হৈছে?

(ঘ) ‘শাৰঙ্গপাণি পাহে ...’ বৰগীতটিৰ ৰাগ কি? ‘শাৰঙ্গপাণি’ৰ অৰ্থ কি?

(ঙ) ‘ৰুক্মিণী-হৰণ’ কাব্যৰ মূল কি কি গ্ৰন্থৰ পৰা লোৱা হৈছে?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ‘নাৰায়ণ কাহে ভকতি কৰো তেৰা’ বৰগীতটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) বৰগীতক কি কি শ্ৰেণীত ভাগ কৰিব পাৰি, আলোচনা কৰা।

(গ) ‘পাৰিজাত হৰণ’ নাটত নাৰদ চৰিত্ৰৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

(ঘ) ‘‘শৃঙ্গাৰ ৰসে যাৰ আছে ৰতি।
আকে শুনি হৌক নিৰ্ম্মল মতি।’’

ৰাসক্ৰীড়াৰ আধাৰত পদফাঁকিৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(ঙ) ‘ৰুক্মিণী-হৰণ’ কাব্যৰ আধাৰত ৰুক্মবীৰৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(চ) ‘ৰুক্মিণী-হৰণ’ কাব্যত অসমীয়া বিবাহৰ চিত্ৰ কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

৪। বৰগীত বুলিলে কি বুজা? বৰগীতৰ বৈশিষ্ট্য সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

*অথবা*

"বেদান্ত দৰ্শনৰ পাৰমাৰ্থিক তত্ত্বেৰে শঙ্কৰদেৱৰ প্ৰায়খিনি বৰগীতে সমুজ্জ্বল।" এই উক্তিৰ আধাৰত শঙ্কৰদেৱৰ বৰগীতৰ এটি আলোচনা দাঙি ধৰা।

৫। 'কীৰ্ত্তন-ঘোষা'ৰ ৰস-বৈচিত্ৰ্য সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা। ১০

*অথবা*

'কীৰ্ত্তন-ঘোষা'ত নৱধা ভক্তি আৰু শ্ৰৱণ-কীৰ্ত্তন-ৰ স্থান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) 'ৰুক্মিণী-হৰণ' কাব্যত শঙ্কৰদেৱে মূলৰ পৰা কিমানদূৰ আঁতৰি আহি নিজস্ব সৃজনীশীল প্ৰতিভাৰ পৰিচয় দিছে, আলোচনা কৰা।

(খ) "প্ৰত্যেকটি চৰিত্ৰৰ পোছাকী সাজৰ অন্তৰালত পিতৃ, ভাতৃ, মাতৃ, স্বামী, শহুৰ আদি ঘৰুৱা ৰূপ এৱেকাটি প্ৰকাশ পাইছে।" এই উক্তিৰ আধাৰত 'ৰুক্মিণী-হৰণ' কাব্যৰ চৰিত্ৰ সৃষ্টি সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

(গ) 'পাৰিজাত হৰণ' নাটত নাট্যকাৰৰ মৌলিকতা সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

## খ—শাখা

## ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) বেজবৰুৱাৰ 'সুৰভি' গল্প-পুথিত কিমানটা গল্প সংকলিত কৰা হৈছে?

(খ) 'বাপিৰাম' গল্পটোৰ নাৰী চৰিত্ৰটিৰ নাম কি?

(গ) 'লাওখোলা' কোন শ্ৰেণীৰ গল্প?

(ঘ) মাধৱ তৰণীৰ ঘৈণীয়েকৰ নাম কি আছিল?

(ঙ) 'স্বৰ্গাৰোহণ' গল্পটি কোনখন পুথিত সন্নিৱিষ্ট হৈছে?

(চ) লোকেশ্বৰৰ ঘৈণীয়েকৰ নাম কি?

(ছ) ফুকনৰ কোনটো ল'ৰা হাতীৰ মাউত?

(জ) 'কদম কলি' প্ৰথম কিমান চনত প্ৰকাশ হৈছিল?

(ঝ) 'ভ্ৰম' কবিতাটি বেজবৰুৱাৰ কোনখন কবিতা-পুথিত সন্নিৱিষ্ট হৈছে?

(ঞ) 'কৃপাবৰ বৰুৱাৰ ওভতনি' প্ৰথম কিমান চনত প্ৰকাশ হৈছিল?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটিত কোৰা-ভাতুৰীয়া ওঁঠৰ তলত কি লুকাই থকা বুলি কৈছে? ইয়াৰ তাৎপৰ্য কি?

(খ) বেজবৰুৱাৰ কবিতা-পুথি দুখনৰ নাম কি কি?

(গ) 'বাপিৰাম' গল্পটোৰ দুটা পুৰুষ চৰিত্ৰৰ নাম লিখা।

(ঘ) 'বসতাবাড়ী' মানে কি?

(ঙ) "আৰু অলপমান খান নিশ্চয় ওলাব। আৰু নোলায় যদি আমিটো ডিঙি পাতিয়ে আছোঁ, তাৰ নিমিত্তে চিন্তা কি?" কথাখিনি কোনে, কাক কৈছিল?

৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) বেজবৰুৱাৰ 'ভ্ৰম' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাটিত প্ৰিয়তমাৰ প্ৰাণৰ সৈতে কবিপ্ৰাণৰ একাত্মতাৰ অভিলাষ কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) 'লাওখোলা' গল্পটিৰ মাজেৰে লেখকৰ সংস্কাৰকামী মনোভাৱ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(ঘ) 'জয়ন্তী' গল্পৰ কাহিনীভাগ বৰ্ণনা কৰা।

(ঙ) 'বাপিৰাম' গল্পটোৰ মাজেৰে বাল্য-বিধৱাৰ কৰুণ ছবি কেনেদৰে ফুটি উঠিছে, আলোচনা কৰা।

(চ) ‘‘কৃপাবৰী চিন্তা মাত্ৰ ৰসিকতা নহয়, গহীন চিন্তাৰ উপাদানো তাত আছে।’’ কথাষাৰ ‘ভাৰত উদ্ধাৰ’ প্ৰবন্ধৰ মাজেৰে বিচাৰ কৰা।

(ছ) ‘কৃপাবৰ বৰুৱাৰ ওভতনি’ত সন্নিৱিষ্ট ‘বসন্ত’ নামৰ কবিতাটিৰ মাজেৰে বসন্তকালৰ কি বিৱৰণ দিছে, বিশ্লেষণ কৰা।

৪। (ক) ‘আমাৰৈ নাপাহৰিব’ গল্পটোৰ মাজেৰে গল্পকাৰে নাৰী ব্যৱসায়ৰ ছবিখন কেনেদৰে দাঙি ধৰিছে, আলোচনা কৰা। ১০

*অথবা*

(খ) নীলাম্বৰ শৰ্মাই চেঙেলীয়া বয়সত মাধৈ-মালতীক কি বিপদৰ পৰা ৰক্ষা কৰা বাবে তাই তেওঁৰ ধাৰ শুজিব নোৱাৰে বুলি চিঠি লিখি জনাইছিল? বিতংকৈ লিখা।

৫। (ক) ‘‘লক্ষ্মীনাথ বেজবৰুৱাৰ চুটিগল্পত সাধুকথাৰ উপাদান লক্ষ্য কৰা যায়।’’ ‘সাধুকথাৰ কুঁকি’ৰ গল্পসমূহৰ আধাৰত এই মন্তব্যৰ সত্যাসত্য বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) বেজবৰুৱাৰ চুটিগল্পৰ কলাকৌশল সম্পৰ্কে এটি আলোচনা দাঙি ধৰা।

৬। (ক) লক্ষ্মীনাথ বেজবৰুৱাৰ গদ্যৰীতি সন্দৰ্ভত এটি প্ৰবন্ধ যুগুত কৰা। ১০

অথবা

(খ) লক্ষ্মীনাথ বেজবৰুৱাৰ ব্যঙ্গাত্মক ৰচনা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

৭। (ক) 'মালতী' আৰু 'ভ্ৰম' কবিতাত অভিব্যঞ্জিত হোৱা প্ৰেমৰ স্বৰূপ সম্পৰ্কে আলোচনা কৰা। ১০

অথবা

(খ) 'বীণ-ব'ৰাগী' কবিতাটিৰ মাজেৰে দেশপ্ৰেমৰ ভাৱ কেনেদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

★★★